সপ্তম অধ্যায়

# যুক্তৰাষ্ট্ৰবাদ (FEDERALISM)

**পৰিচয়**


১৯৪৭ চন আৰু ২০০১ চনৰ ভাৰতৰ ৰাজনৈতিক মানচিত্ৰ দুখন (পিছৰ পৃষ্ঠা দুটাত) চোৱা। সময়ৰ লগে লগে ইয়াত চমকপ্ৰদ পৰিৱৰ্তন ঘটিছে। ৰাজ্যবোৰৰ সীমা সলনি হৈছে, ৰাজ্যবোৰৰ নাম বেলেগ হৈছে আৰু ৰাজ্যবোৰৰ সংখ্যাৰো পৰিৱৰ্তন ঘটিছে। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা সময়ত বৃটিছ চৰকাৰে প্ৰশাসনীয় সুবিধাৰ কাৰণে সংগঠিত কৰা কিছুমান প্ৰদেশ আছিল। সেইসময়ত কিছুমান দেশীয় ৰাজ্যই (Princely States) নতুনকৈ গঠিত ভাৰতৰ লগত চামিল হৈছিল। এইবোৰক আগৰে পৰা থকা প্ৰদেশবোৰৰ লগত যুক্ত কৰা হৈছিল। প্ৰথম মানচিত্ৰ খনত তোমালোকে ইয়াকেই দেখিবলৈ পাইছা। সেই সময়ৰ পৰা ৰাজ্যবোৰৰ সীমা কেইবাবাৰো পুনৰ নিৰ্দ্ধাৰিণ কৰা হৈছে। এই সমগ্ৰ সময়ছোৱাত কেৱল ৰাজ্যৰ সীমাই সলনি হোৱা নাই, কিছুমান ক্ষেত্ৰত ৰাজ্যৰ জনসাধাৰণৰ ইচ্ছা অনুসৰি ৰাজ্যৰ নামৰো পৰিৱৰ্তন ঘটোৱা হৈছে। এনেদৰেই মাইচ'ৰৰ (Mysore) নাম কৰ্ণাটক আৰু মাদ্ৰাজৰ নাম তামিলনাডু হৈছে। পঞ্চাছ বছৰতকৈ কিছু অধিক সময়ৰ ভিতৰত বৃহৎ হাৰত ঘটা এনে পৰিৱৰ্তনকে মানচিত্ৰ দুখনে প্ৰদৰ্শন কৰিছে। চাবলৈ গ'লে, এই মানচিত্ৰ দুখনে আমাক ভাৰতৰ যুক্তৰাষ্ট্ৰবাদ কেনেদৰে চলি আছে সেই কাহিনীও কৈছে।

এই অধ্যায়টো অধ্যয়ন কৰি তোমালোকে তলত উল্লেখ কৰা কথাবোৰ জানিব পাৰিবা।

- যুক্তৰাষ্ট্ৰবাদ কি?
- ভাৰতৰ সংবিধানত থকা যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা ;
- কেন্দ্ৰ আৰু ৰাজ্যৰ মাজৰ সম্পৰ্কৰ লগত জড়িত বিষয় সমূহ ; আৰু
- স্বকীয়তা বিশিষ্ট গঠন (distinct composition) আৰু ঐতিহাসিক বৈশিষ্ট থকা কিছুমান ৰাজ্যৰ বাবে ৰখা বিশেষ ব্যৱস্থা সমূহ।


DAILY ASSAM




INDIA IN 1947
TIBIT
CHINA
NEPAL
SIKKIM
BHUTAN
ASSAM
BURMA
SIAM
AFGHANISTAN
IRAN
WEST PAKISTAN
KASHMIR
PUNJAB
RAJPUTANA
UNITED PROVINCES
BIHAR
ORISSA
CENTRAL INDIA
CENTRAL PROVINCES
HYDERABAD
BOMBAY
MYSORE
MADRAS
TRAVANCORE
GUJARAT
CEYLON
ARABIAN SEA
BAY OF BENGAL
INDIAN OCEAN
Gilgit
Shrinagar
Leh
Jammu
Chitral
Peshawar
Rawalpindi
Lahore
Amritsar
Jalandhar
Quetta
Kalat
Karachi
Hyderabad
Jaisalmer
Barmer
Ajmer
Jaipur
Delhi
Mathura
Aligarh
Agra
Lucknow
Allahabad
Benares
Patna
Gangtok
Dacca
Shillong
Imphal
Chittagong
Mandalay
Moulmein
Calcutta
Cuttack
Vishakhapatnam
Jabalpur
Bhopal
Indore
Nagpur
Ahmadabad
Baroda
Bombay
Poona
Goa (Portuguese)
Nellore
Madras
Pondicherry (French)
Bangalore
Mercara
Calicut
Cochin
Trivandrum
International Boundary
Pakistan (entire Sind, Baluchistan, N.W.F.P. Greater part of Punjab and Bengal Bahawalpur State)
India, Protected States

DAILY ASSAM




INDIA
2001
PAKISTAN
CHINA (TIBET)
NEPAL
BHUTAN
BANGLADESH
MYANMAR
SRI LANKA
ARABIAN SEA
BAY OF BENGAL
INDIAN OCEAN
JAMMU AND KASHMIR
Srinagar
HIMACHAL PRADESH
Shimla
PUNJAB
Chandigarh
UTTARANCHAL
Dehra Dun
HARYANA
DELHI
UTTAR PRADESH
Lucknow
RAJASTHAN
Jaipur
GUJARAT
Gandhinagar
MADHYA PRADESH
Bhopal
BIHAR
Patna
JHARKHAND
Ranchi
WEST BENGAL
Kolkata
SIKKIM
Gangtok
ARUNACHAL PRADESH
Itanagar
ASSAM
Dispur
MEGHALAYA
Shillong
NAGALAND
Kohima
MANIPUR
Imphal
TRIPURA
Agartala
MIZORAM
Aizawl
CHHATTISGARH
Raipur
ORISSA
Bhubaneshwar
New Moore Is. (India)
DAMAN (D&D)
DIU (D&D)
DADRA & NAGAR HAVELI
Silvassa
Mumbai
MAHARASHTRA
Hyderabad
ANDHRA PRADESH
Yanam (PONDICHERRY)
Panaji
GOA
KARNATAKA
Bangalore
Chennai
PONDICHERRY
Karaikal (PONDICHERRY)
TAMIL NADU
Mahe (PONDICHERRY)
KERALA
Kavaratti
LAKSHADWEEP (INDIA)
Tiruvanantapuram
Port Blair
ANDAMAN & NICOBAR ISLANDS (INDIA)
Tropic of Cancer
International Boundary
State Boundary
0 200 400 600 km
68°E 72° 76° 80° 84° 88° 92° 96°E
36°N 32° 28° 24° 20° 16° 12° 8°N

DAILY ASSAM



ৱেষ্ট ইণ্ডিজৰ যুক্তৰাষ্ট্ৰবাদ

**(Federalism in West Indies)**

তোমালোকে ৱেষ্ট ইণ্ডিজৰ ক্ৰিকেট দলটোৰ নাম শুনিছা নিশ্চয়। কিন্তু,ৱেষ্ট ইণ্ডিজ নামৰ এখন দেশো আছেনে?

ভাৰতৰ দৰে ৱেষ্ট ইণ্ডিজো বৃটিছৰ উপনিৱেশ আছিল। ১৯৫৮ চনত ৱেষ্ট ইণ্ডিজ যুক্তৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠিত হৈছিল। ইয়াত এখন দুৰ্বল কেন্দ্ৰীয় চৰকাৰ আছিল আৰু প্ৰত্যেকটো গোটৰ (Unit) স্বাধীন অৰ্থনীতি আছিল। এনে ধৰণৰ বৈশিষ্ট্য আৰু গোটবোৰৰ মাজত ৰাজনৈতিক প্ৰতিযোগিতাৰ ফলত ১৯৬২ চনত যুক্তৰাষ্ট্ৰখন আনুষ্ঠানিক ভাৱে ভঙ্গ হৈছিল। পিছত ১৯৭৩ চনত চিগুৰাৰামাছ (Chigu-aramas) চুক্তি অনুসৰি স্বাধীন দ্বীপ সমূহে সামূহিক বিধানমণ্ডল, উচ্চতম ন্যায়ালয়, একে মূদ্ৰা আৰু কিছু পৰিমাণে এখন সামূহিক বজাৰৰ ৰূপত কেৰিবিয়ান কমিউনিটি (Caribbean Community) যুক্ত কৰ্তৃত্ব (joint authority) এটা গঠন কৰিলে। কেৰিবিয়ান কমিউনিটিৰ আনকি এখন সমূহীয়া কাৰ্যপালিকাও আছে আৰু সদস্য ৰাষ্ট্ৰবোৰৰ চৰকাৰৰ মূৰব্বীসকল এই কাৰ্যপালিকাৰ সদস্য।

এইদৰে, গোটসমূহে এখন দেশ হিচাপে একেলগে থাকিবও নোৱাৰে আৰু সম্পূৰ্ণ পৃথক হৈও থাকিব নোৱাৰে।

## যুক্তৰাষ্ট্ৰবাদ কি? (What is Federalism?)

ছোভিয়েট ৰাছিয়া (USSR) পৃথিবীৰ এক বৃহৎ শক্তি আছিল, কিন্তু ১৯৮৯ চনৰ পিছত ই ভাঙি গ'ল আৰু কেইবাখনো স্বাধীন ৰাষ্ট্ৰত পৰিণত হ'ল। ইয়াৰ ভাঙোনৰ এটা প্ৰধান কাৰণ আছিল অত্যধিক কেন্দ্ৰীকৰণ আৰু পুঞ্জীভূত ক্ষমতা (Concentration of power) আৰু উজবেকিস্তানৰ দৰে স্বকীয় ভাষা আৰু সংস্কৃতি থকা অঞ্চল সমূহত ৰাছিয়াৰ আধিপত্য বিস্তাৰ। চেকোশ্লোভেকিয়া, যুগোশ্লাভিয়া আৰু পাকিস্থানৰ দৰে দেশো বিভাজনৰ সম্মুখীন হৈছে। কানাডাতো ইংৰাজী ভাষী আৰু ফৰাচী ভাষী অঞ্চল সমূহৰ মাজত ভাঙোনৰ উপক্ৰম হৈছিল। ভাৰতৰ বাবে এয়া এক ডাঙৰ সফলতা নহয়নে যে ১৯৪৭ চনৰ দুঃখজনক বিভাজনৰ পিছত ই স্বাধীন জাতি ৰাষ্ট্ৰ (Nation State) হিচাপে গঢ়ি উঠিছিল আৰু স্বাধীনভাৱে থকাৰ ছয় দশকৰো অধিক কালৰ পিছতো ই ঐক্যবদ্ধ হৈয়েই আছে? এনে সফলতাৰ কাৰণ কি? আমি সংবিধানৰ দ্বাৰা ভাৰতৰ বাবে গ্ৰহণ কৰা যুক্তৰাষ্ট্ৰীয় প্ৰকৃতিৰ শাসন ব্যৱস্থাৰ বাবেই এনে হৈছে বুলি ক'ব পাৰো নেকি? ওপৰত উল্লেখ কৰা আটাইকেইখন দেশেই যুক্তৰাষ্ট্ৰ আছিল। তথাপি তেওঁলোকে ঐক্যবদ্ধ হৈ থাকিব নোৱাৰিলে। সেইবাবে যুক্তৰাষ্ট্ৰীয় সংবিধান

DAILY ASSAM



গ্ৰহণ কৰাৰ উপৰিও সেই যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ প্ৰকৃতি আৰু যুক্তৰাষ্ট্ৰ বাদক কাৰ্যত কেনেদৰে প্ৰয়োগ কৰা হৈছে সেয়াও ভাৰতখন সংগঠিত হৈ থকাৰ এক গুৰুত্বপূৰ্ণ কাৰণ।

আকাৰ আৰু বৈচিত্ৰ্যৰ ফালৰ পৰা ভাৰতক এখন মহাদেশৰ লগত তুলনা কৰিব পাৰি। ইয়াত ২০ টাতকৈও অধিক প্ৰধান ভাষা আৰু কেইবাশ গৌণ ভাষা আছে। ই হৈছে কেইবাটাও প্ৰধান ধৰ্মৰ গৃহভূমি। দেশখনৰ বিভিন্ন অংশত কেইবা নিযুত খিলঞ্জীয়া মানুহে বসবাস কৰি আছে। ইমানবোৰ বৈষম্য থকা সত্বেও আমি এক সমূহীয়া ভূমিখণ্ডৰ অংশীদাৰ হৈ আছো। তদুপৰি আমি, বিশেষকৈ স্বাধীনতা সংগ্ৰামৰ সময়ছোৱাৰ একে ইতিহাসৰো অভিজ্ঞতা লাভ কৰিছো। আমি আন বহুতো গুৰুত্বপূৰ্ণ বৈশিষ্ট্যৰো অংশীদাৰ। সেইবাবে আমাৰ ৰাষ্ট্ৰীয় নেতাসকলে ভাৰতক এখন বৈচিত্ৰৰ মাজত ঐক্য (Unity in Diversity) থকা দেশ হিচাপে অভিহিত কৰে। মাজে সময়ে ইয়াক বৈচিত্ৰৰ সৈতে ঐক্য (Unity with Diversity) বুলিও কোৱা হয়।

যুক্তৰাষ্ট্ৰবাদ বিভিন্ন ঐতিহাসিক অৱস্থাত প্ৰয়োগ কৰিব পৰা কিছুমান নিৰ্দিষ্ট নীতিৰ সমষ্টি নহয়। বৰঞ্চ, যুক্তৰাষ্ট্ৰবাদে চৰকাৰৰ নীতি হিচাপে বিভিন্ন অৱস্থাত বিভিন্ন ধৰণে গঢ় লৈ উঠিছে। আমেৰিকাৰ যুক্তৰাষ্ট্ৰবাদ হৈছে যুক্তৰাষ্ট্ৰীয় ৰাজনৈতিক ব্যৱস্থা গঠনৰ এক প্ৰথম প্ৰধান প্ৰচেষ্টা। ই জাৰ্মানী আৰু ভাৰতৰ যুক্তৰাষ্ট্ৰবাদতকৈ পৃথক। কিন্তু, তথাপিও যুক্তৰাষ্ট্ৰবাদৰ লগত কেইটামান প্ৰধান ধাৰণা জড়িত হৈ আছে।

- প্ৰকৃততে, যুক্তৰাষ্ট্ৰবাদ হৈছে কেন্দ্ৰীয় আৰু ৰাজ্যিক ক্ষেত্ৰত দুই ধৰণৰ শাসন ব্যৱস্থা কৰা এক আনুষ্ঠানিক আহিলা। প্ৰত্যেকখন চৰকাৰ নিজৰ কাৰ্য্য পৰিধিৰ ভিতৰত স্বাধীন। কিছুমান যুক্তৰাষ্ট্ৰীয় ৰাষ্ট্ৰত আনকি দ্বি নাগৰিকত্বৰ ব্যৱস্থাও আছে। ভাৰতত কেৱল একক নাগৰিকত্ব আছে।
- সেইদৰে জনসাধাৰণৰো দুই ধৰণৰ চিনাকি আৰু আনুগত্য থকিবলগীয়া হয়— তেওঁলোক অঞ্চলটোৰ লগত জড়িত হোৱাৰ



*মই বুজ পাইছো! এয়া আমাৰ বিদ্যালয়ৰ নিচিনা। একাদশ, দ্বাদশ বা আন শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী হিচাপে আমাৰ চিনাকি আছে। বিভিন্ন ক্ষেত্ৰত আমাৰ মাজত প্ৰতিযোগিতাও হয়। কিন্তু, আমি একে বিদ্যালয়ৰ অংশ আৰু সেইবাবে গৌৰৱো অনুভৱ কৰো।*

DAILY ASSAM



লগতে ৰাষ্ট্ৰীয় ক্ষেত্ৰৰো অংশ। উদাহৰণস্বৰূপে ক'ব পাৰি যে আমি গুজৰাটী বা ঝাৰখণ্ডী হ'ব পাৰো, কিন্তু, লগতে ভাৰতীয়ও। প্ৰত্যেকটো স্তৰৰ শাসনতে নিৰ্দিষ্ট ক্ষমতা, আৰু দায়িত্ব থাকে আৰু পৃথক চৰকাৰৰ ব্যৱস্থা থাকে।


- এই দুই ধৰণৰ চৰকাৰৰ ব্যৱস্থাৰ বিস্তৃত বিৱৰণ সাধাৰণতে এখন লিখিত সংবিধানত উল্লেখ থাকে। এই সংবিধানখনক সৰ্বোচ্চ বুলি গণ্য কৰা হয় আৰু ই হৈছে দুয়ো ধৰণৰ চৰকাৰৰ ক্ষমতাৰ উৎস। প্ৰতিৰক্ষা, মুদ্ৰা ব্যৱস্থা আদি যিবোৰ বিষয় ৰাষ্ট্ৰীয় ক্ষেত্ৰৰ বাবে গুৰুত্বপূৰ্ণ, সেইবোৰৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰক দিয়া হয়। আঞ্চলিক বা স্থানীয় বিষয়ৰ দায়িত্ব ৰাজ্য চৰকাৰক অৰ্পণ কৰা হয়।
- কেন্দ্ৰ আৰু ৰাজ্যৰ মাজৰ বিৰোধক বাধা দিবলৈ আৰু বিবাদ মীমাংসা কৰিবলৈ এখন স্বাধীন ন্যায়পালিকাৰ ব্যৱস্থা থাকে। কেন্দ্ৰ আৰু ৰাজ্যৰ ক্ষমতা বিভাজনৰ লগত জড়িত আইনসংগত বিষয়ৰ মতানৈক্য মীমাংসা কৰাৰ ক্ষমতা ন্যায়পালিকাৰ আছে।



হয়, প্ৰথম অধ্যায়ত পঢ়া কথাবোৰ মোৰ মনত পৰিছে ঃ কাৰ কিমান ক্ষমতা থকা উচিত সেই কথা সংবিধানে নিৰ্ণয় কৰে।

বাস্তৱ ৰাজনীতি, সংস্কৃতি,আদৰ্শ আৰু ইতিহাসে এখন যুক্তৰাষ্ট্ৰৰ প্ৰকৃত কাৰ্য্য পদ্ধতি নিৰ্ণয় কৰে। বিশ্বাস, সহযোগিতা, পাৰস্পৰিক শ্ৰদ্ধা আৰু সহনশীলতাৰ সংস্কৃতিয়ে যুক্তৰাষ্ট্ৰক বাধাহীনভাৱে কাম কৰাত সহায় কৰে। সংবিধান এখনে কেনেদৰে কাম কৰিব সেই কথা ৰাজনৈতিক দলবোৰেও স্থিৰ কৰে। যদি কোনো এটা গোট বা এখন ৰাজ্যই বা অধিক গোষ্ঠী বা আদৰ্শই সমগ্ৰ যুক্তৰাষ্ট্ৰখনত আধিপত্য বিস্তাৰ কৰিব বিচাৰে তেতিয়া হ'লে এই প্ৰভাৱশালী মতত অংশ গ্ৰহণ কৰিব নোৱাৰা জনসাধাৰণ বা তেওঁলোকৰ গোট সমূহৰ মাজত গভীৰ অসন্তুষ্টিৰ সৃষ্টি হ'ব। ইয়াৰ ফলত অসন্তুষ্ট গোট সমূহে পৃথক হৈ যাবলৈ দাবী জনাব পাৰে বা এনে অৱস্থাৰ ফলত গৃহ যুদ্ধৰো সৃষ্টি হ'ব পাৰে। বহুতো ৰাষ্ট্ৰই এনে সংঘাতজনক পৰিস্থিতিত সাঙোৰ খাই পৰিছে।

DAILY ASSAM




**নাইজেৰিয়াৰ যুক্তৰাষ্ট্ৰবাদ** (Federalism in Nigeria)

যদি বিভিন্ন অঞ্চল আৰু সম্প্ৰদায়ৰ এটাই আনটোক সমৰ্থন নকৰে, তেনে পৰিস্থিতিত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থায়ো ঐক্য সাধন কৰাত ব্যৰ্থ হ'ব পাৰে। এই ক্ষেত্ৰত নাইজেৰিয়াৰ উদাহৰণ শিক্ষাপ্ৰদ হ'ব ঃ

১৯১৪ চনলৈ উত্তৰ আৰু দক্ষিণ নাইজেৰিয়া দুখন পৃথক বৃটিছ উপনিৱেশ আছিল। ১৯৫০ চনৰ ইবাদান সাংবিধানিক সন্মিলনত (Ibadan Constitutional Conference) নাইজেৰিয়াৰ নেতাসকলে এখন যুক্তৰাষ্ট্ৰীয় সংবিধান ৰচনাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। নাইজেৰিয়াৰ তিনিটা প্ৰধান নৃগোষ্ঠী (ethnic group) — য়ৰুবা (Yoruba), ইব' (Ibo) আৰু হৌসা ফুলানিয়ে (Housa Fulani) ক্ৰমে পশ্চিম, পূৱ আৰু উত্তৰ অঞ্চল নিয়ন্ত্ৰণ কৰিছিল। আন অঞ্চলত প্ৰভাৱ বিস্তাৰ কৰিব বিচৰা তেওঁলোকৰ প্ৰচেষ্টাই ভয় আৰু সন্ত্ৰাসৰ সৃষ্টি কৰিছিল। ইয়াৰ ফলত সামৰিক শাসনৰ সূত্ৰপাত হৈছিল। ১৯৬০ চনৰ সংবিধান অনুসৰি যুক্তৰাষ্ট্ৰীয় আৰু আঞ্চলিক চৰকাৰ

DAILY ASSAM



উভয়ে যুটীয়াভাৱে নাইজেৰিয়াৰ আৰক্ষীক নিয়ন্ত্ৰণ কৰিছিল। ১৯৭৯ চনত সামৰিক তত্বাৱধানত থকা সংবিধানে কোনো ৰাজ্যত অসামৰিক আৰক্ষী (Civil Police) ৰখা কাৰ্য্যত অনুমোদন জনোৱা নাছিল।

নাইজেৰিয়াত ১৯৯৯ চনত গণতন্ত্ৰ পুনৰ সংস্থাপন কৰা হৈছিল যদিও ধৰ্মীয় বিভিন্নতাৰ লগতে তৈল সম্পদৰ পৰা আহৰণ কৰা ৰাজহ কোনে নিয়ন্ত্ৰণ কৰিব সেই বিষয়ে বিবাদ চলি থকাত নাইজেৰিয়াৰ যুক্তৰাষ্ট্ৰবাদ সমস্যাৰ সন্মুখীন হৈয়েই থাকিল। স্থানীয় নৃগোষ্ঠীয় সম্প্ৰদায় সমূহে তৈল সম্পদৰ কেন্দ্ৰীভূত নিয়ন্ত্ৰণত বাধা জন্মাইছিল। এইদৰে নাইজেৰিয়া হৈছে এনে এটা উদাহৰণ য'ত যুক্তৰাষ্ট্ৰ গঠন কৰা গোটসমূহ (Units) ধৰ্মীয়, নৃগোষ্ঠীয় আৰু অৰ্থনৈতিক বিভিন্নতাৰে পৰিপূৰ্ণ হৈ আছে।

**তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা**

- এখন যুক্তৰাষ্ট্ৰত কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা কোনে নিৰ্দ্ধাৰিণ কৰে?
- এখন যুক্তৰাষ্ট্ৰত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মাজত বিবাদ কেনেকৈ মিমাংসা কৰা হয়?

### ভাৰতৰ সংবিধানত যুক্তৰাষ্ট্ৰবাদ (Federalism in the Indian Constitution)

স্বাধীনতাৰ পূৰ্বেও আমাৰ স্বাধীনতা সংগ্ৰামৰ বেছিভাগ নেতাই ভালদৰে জানিছিল যে,ভাৰতৰ নিচিনা ডাঙৰ দেশ এখন শাসন কৰিব লাগিলে কেন্দ্ৰীয় চৰকাৰ আৰু প্ৰদেশবোৰৰ মাজত ক্ষমতা ভাগ কৰাৰ প্ৰয়োজন হ'ব। ভাৰতীয় সমাজত যে আঞ্চলিক আৰু ভাষিক বিভিন্নতা আছে

DAILY ASSAM



সেই বিষয়েও তেওঁলোক সজাগ আছিল। এনে বিভিন্নতাক স্বীকৃতি দিয়াৰ প্ৰয়োজন আছিল। বিভিন্ন অঞ্চল আৰু ভাষাৰ মানুহে ক্ষমতা ভগাই ল'ব লাগিব আৰু প্ৰত্যক অঞ্চলত সেই অঞ্চলৰ মানুহে নিজকে শাসন কৰাৰ সুবিধা পাব লাগিব। অৱশ্যে আমি এখন গণতান্ত্ৰিক চৰকাৰ বিচাৰিলেহে এই কথা যুক্তিসংগত হ'ব।

এই ক্ষেত্ৰত একমাত্ৰ প্ৰশ্নটো আছিল, আঞ্চলিক চৰকাৰবোৰে কিমান ক্ষমতা লাভ কৰিব? মুছলমানসকলৰ অধিক প্ৰতিনিধিত্বৰ বাবে মুছলিম লীগে চলোৱা আন্দোলনৰ পৰিপ্ৰেক্ষিতত, বিভাজনৰ আগৰ আলোচনাত অঞ্চলসমূহক যথেষ্ট ক্ষমতা দি এটা বুজাবুজিৰ সূত্ৰত উপনীত হোৱাৰ বিষয়ে বিবেচনা কৰা হৈছিল। ভাৰত বিভাজনৰ বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰাৰ পিছত, কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত একতা আৰু সহযোগিতা আৰু ৰাজ্যৰ বাবে পৃথক ক্ষমতা, এনে নীতিৰ ভিত্তিত চৰকাৰ গঠন কৰিবলৈ সংবিধান সভাই সিদ্ধান্ত গ্ৰহণ কৰিছিল। ভাৰতৰ সংবিধানে গ্ৰহণ কৰা যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে যে, কেন্দ্ৰ আৰু ৰাজ্যৰ মাজৰ সম্পৰ্ক সহযোগিতাৰ ভিত্তিত প্ৰতিষ্ঠিত হ'ব। এইদৰে, বিভিন্নতাক স্বীকৃতি দি সংবিধানে একতাৰ ওপৰত গুৰুত্ব দিছিল।



*মুঠতে, একেলগে বসবাস কৰাৰ উদ্দেশ্য এনে হ'ব লাগে যে আমি আটায়ে সুখী হ'ব লাগে আৰু আনকো সুখী কৰিব লাগে।*

উদাহৰণস্বৰূপে, তুমি এটা কথা জানানে যে, ভাৰতৰ সংবিধানত যুক্তৰাষ্ট্ৰ শব্দটো এবাৰো উল্লেখ কৰা হোৱা নাই? সংবিধানত ভাৰতক এইদৰে বৰ্ণনা কৰা হৈছে –

*১ নং অনুচ্ছেদ ঃ (১) ইণ্ডিয়া, অৰ্থাৎ ভাৰত এখন ৰাজ্য সমূহৰ সংঘ (Union of States) হ'ব। (২) ইয়াৰ ৰাজ্য আৰু ৰাজ্যক্ষেত্ৰসমূহ (Territories) প্ৰথম অনুসূচীত উল্লেখ কৰাৰ দৰে হ'ব।*

DAILY ASSAM





*মই অনুভৱ কৰো যে, ৰাজ্য চৰকাৰসমূহৰ নিজাববীয়াকৈ একেবাৰে কম বিত্ত থাকে। ইমান কম অৰ্থৰে তেওঁলোকে কেনেকৈ নিজৰ কাম-কাজ সম্পাদন কৰিব পাৰে? এয়া কিছুমান পৰিয়ালৰ দৰে, য'ত স্বামীৰ হাতত টকা-পইচা থাকে আৰু পত্নীয়ে গোটেই গৃহস্থীখন পৰিচালনা কৰিবলগীয়া হয়।*

### ক্ষমতাৰ বিভাজন (Division of Powers)

ভাৰতৰ সংবিধানে দুই ধৰণৰ চৰকাৰৰ ব্যৱস্থা কৰিছে ঃ সমগ্ৰ দেশৰ বাবে এখন কেন্দ্ৰীয় চৰকাৰ আৰু প্ৰত্যেকখন ৰাজ্য বা গোটৰ বাবে একোখনকৈ ৰাজ্যিক চৰকাৰ। এই দুয়ো ধৰণৰ চৰকাৰৰ সাংবিধানিক মৰ্য্যাদা আছে আৰু স্পষ্টভাৱে নিৰূপণ কৰা পৃথক কাম-কাজ আছে। যদি, কোনবোৰ কাৰ্য্য কেন্দ্ৰৰ নিয়ন্ত্ৰণত থাকিব আৰু কোনবোৰ ৰাজ্যৰ অধীনত থাকিব সেই সন্দৰ্ভত বিবাদৰ সৃষ্টি হয় তেতিয়া ন্যায়পালিকাই সাংবিধানিক ব্যৱস্থা অনুসৰি সেইবোৰ মীমাংসা কৰিব। কোনবোৰ বিষয়ত সম্পূৰ্ণৰূপে কেন্দ্ৰৰ অধিকাৰ থাকিব আৰু কোনবোৰ বিষয়ত ৰাজ্যৰ অধিকাৰ থাকিব সেই কথা সংবিধানে স্পষ্টভাৱে নিৰ্ণয় কৰি দিছে। (পিছৰ পৃষ্ঠাত থকা তালিকাখন ভালদৰে পঢ়ি চোৱা! কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত কেনেদৰে ক্ষমতা বিতৰণ কৰা হৈছে সেই বিষয়ে তালিকাখনত উল্লেখ কৰা হৈছে।) এই ক্ষমতা বিভাজনৰ এটা গুৰুত্বপূৰ্ণ দিশ হৈছে যে সংবিধানে অৰ্থনৈতিক আৰু বিত্তীয় ক্ষমতাবোৰ কেন্দ্ৰীয় চৰকাৰৰ হাততে অৰ্পন কৰিছে। ৰাজ্যবোৰে যথেষ্ট দায়িত্ব পালন কৰিবলগীয়া হয় কিন্তু, তেওঁলোকৰ ৰাজহৰ উৎস একেবাৰে সীমিত।

**তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা ---**

- অৱশিষ্ট ক্ষমতাসমূহ পৃথকভাৱে উল্লেখ কৰাৰ প্ৰয়োজন আছে বুলি তুমি ভাৱানে? কিয়?
- ক্ষমতা বিভাজনৰ বিষয়ত ৰাজ্যবোৰে অসন্তুষ্টি অনুভৱ কৰে কিয়?

DAILY ASSAM



## ভাৰতৰ সংবিধান

### কেন্দ্ৰীয় সূচী

এই সূচীত অন্তৰ্ভুক্ত বিষয় কিছুমান হৈছে –

- প্ৰতিৰক্ষা
- আনৱিক শক্তি
- বৈদেশিক পৰিক্ৰমা
- যুদ্ধ আৰু শান্তি
- বেংক ব্যৱস্থা
- ৰেইলৱে
- ডাক আৰু তাঁৰ
- বিমান সেৱা
- বন্দৰ
- বৈদেশিক বাণিজ্য
- মুদ্ৰা ব্যৱস্থা

এই বিষয়সমূহত কেন্দ্ৰীয় বিধানমণ্ডলে অকলে আইন প্ৰণয়ন কৰিব পাৰে।

### ৰাজ্যিক সূচী

এই সূচীত অন্তৰ্ভুক্ত বিষয় কিছুমান হৈছে –

- কৃষি
- আৰক্ষী
- কাৰাগাৰ
- স্থানীয় শাসন
- জনস্বাস্থ্য
- ভূমি
- মাদক দ্ৰব্য
- ব্যৱসায় আৰু বাণিজ্য
- পশুধন আৰু পশুপালন
- ৰাজ্যিক লোকসেৱা

সাধাৰণতে কেৱল ৰাজ্যিক বিধানমণ্ডলেহে এই বিষয়সমূহত আইন প্ৰণয়ন কৰে।

### সমৱৰ্তী সূচী

এই সূচীত অন্তৰ্ভুক্ত বিষয় কিছুমান হৈছে –

- শিক্ষা
- কৃষি ভূমিৰ বাহিৰে আন ভূমি হস্তান্তৰ
- অৰণ্য
- শ্ৰমিক সংঘ
- ভেজালকৰণ
- দণ্ডক আৰু উত্তৰাধিকাৰী

কেন্দ্ৰীয় আৰু ৰাজ্যিক বিধানমণ্ডল উভয়ে পৃথক ভাৱে এই বিষয়সমূহত আইন প্ৰণয়ন কৰিব পাৰে।

### অৱশিষ্ট ক্ষমতা

ওপৰৰ তালিকা কেইখনত উল্লেখ নথকা আন সকলো বিষয় অৱশিষ্ট ক্ষমতাত অন্তৰ্ভুক্ত হয়।

- কম্পিউটাৰ বিজ্ঞান বিষয়ক আইন (Cyber Laws)

এই বিষয়সমূহত কেৱল কেন্দ্ৰীয় বিধানমণ্ডলে আইন প্ৰণয়ন কৰিব পাৰে।


DAILY ASSAM



## শক্তিশালী কেন্দ্ৰীয় চৰকাৰ বিশিষ্ট যুক্তৰাষ্ট্ৰবাদ (Federalism with a strong Central Government.)

ভাৰতৰ সংবিধানে যে এখন শক্তিশালী কেন্দ্ৰীয় চৰকাৰৰ ব্যৱস্থা কৰিছে, সেইকথা সকলোৱে মানি লৈছে। বিভিন্ন বৈচিত্ৰ আৰু সামাজিক সমস্যা থকা ভাৰত এখন মহাদেশ সদৃশ দেশ। সংবিধান প্ৰণেতাসকলে বিশ্বাস কৰিছিল যে, বৈচিত্ৰ্যসমূহক সংস্থাপন কৰিব পৰাকৈ আমাক এখন যুক্তৰাষ্ট্ৰীয় সংবিধান লাগে। কিন্তু, বিভাজন প্ৰতিৰোধ কৰিবলৈ আৰু সামাজিক আৰু ৰাজনৈতিক পৰিৱৰ্তন ঘটাবলৈ তেওঁলোকে এখন শক্তিশালী কেন্দ্ৰীয় চৰকাৰৰ ব্যৱস্থা কৰিব বিচাৰিছিল। সেইসময়ত কেন্দ্ৰৰ এনে ধৰণৰ ক্ষমতাৰ প্ৰয়োজন আছিল। কিয়নো স্বাধীনতাৰ সময়ত ভাৰতত বৃটিছে সৃষ্টি কৰা প্ৰদেশসমূহৰ উপৰিও ৫০০ ৰো অধিক দেশীয় ৰাজ্য (Princely State) আছিল আৰু সেইবোৰক কোনো ৰাজ্যৰ লগত চামিল কৰাৰ বা নতুনকৈ ৰাজ্য গঠন কৰাৰ প্ৰয়োজন আছিল।

মই সদনৰ সন্মানীয় বন্ধুসকলক জনাব বিচাৰো যে ....... বৰ্তমান সকলো সংবিধানৰ কেন্দ্ৰীকৰণৰ তাড়ণা হৈছে ......... বৰ্তমানৰ পৰিস্থিতিৰ বাবে ৰাষ্ট্ৰসমূহে ......... যুক্তৰাষ্ট্ৰই হওক বা একাত্মকেই হওক পুলিচ ৰাষ্ট্ৰৰ পৰা কল্যাণকামী ৰাষ্ট্ৰত পৰিণত হৈছে আৰু ৰাষ্ট্ৰখনক আৰ্থিক স্বচ্ছলতাৰ দিশত আগবঢ়াই নিয়াৰ গুৰু দায়িত্ব কেন্দ্ৰৰ ওপৰত ন্যস্ত হৈছে।



টি. টি. কৃষ্ণমাচাৰী

সংবিধান সভাৰ বিতৰ্ক, ৭ ম খণ্ড, পৃ. ২৩৪

একতাৰ বাবে চিন্তিত হোৱাৰ উপৰিও, সংবিধান প্ৰণেতাসকলে বিশ্বাস কৰিছিল যে, দেশখনৰ আৰ্থ-সামাজিক সমস্যাসমূহ ৰাজ্যবোৰৰ সহযোগত এখন শক্তিশালী কেন্দ্ৰীয় চৰকাৰে নিয়ন্ত্ৰণ কৰা আৱশ্যক। দৰিদ্ৰতা, নিৰক্ষৰতা আৰু সম্পদৰ ক্ষেত্ৰত থকা অসমতা আদি হৈছে এনে কিছুমান সমস্যা যিবোৰ সমাধানৰ বাবে পৰিকল্পনা আৰু সহযোগিতাৰ প্ৰয়োজন। এইদৰে একতা আৰু উন্নয়নৰ চিন্তাই সংবিধান

DAILY ASSAM



প্ৰণেতাসকলক এখন শক্তিশালী কেন্দ্ৰীয় চৰকাৰ গঠন কৰিবলৈ উদ্‌গনি দিছিল।

যিবোৰ গুৰুত্বপূৰ্ণ ব্যৱস্থাই শক্তিশালী কেন্দ্ৰীয় চৰকাৰ গঢ়ি তোলে আমি সেইবোৰ লক্ষ্য কৰো আঁহা ঃ

- ৰাজ্যবোৰৰ অস্তিত্ব আৰু ভৌগোলিক অখণ্ডতা সংসদৰ নিয়ন্ত্ৰণত থাকে। সংসদক 'কোনো ৰাজ্যৰ ভূখণ্ড পৃথক কৰি বা দুখন বা ততোধিক ৰাজ্য লগ লগাই নতুন ৰাজ্য গঠন কৰাৰ ....' ক্ষমতা দিয়া হৈছে। ই কোনো ৰাজ্যৰ সীমা বা নাম পৰিৱৰ্তন কৰিব পাৰে। এইক্ষেত্ৰত সংশ্লিষ্ট ৰাজ্যৰ মতামত লোৱাৰ ব্যৱস্থা কৰি সংবিধানে সুৰক্ষাৰ ব্যৱস্থা কৰিছে।
- সংবিধানত কিছুমান যথেষ্ট প্ৰভাৱপূৰ্ণ জৰুৰীকালীন ব্যৱস্থা আছে, যিবোৰৰ বাবে এবাৰ জৰুৰী অৱস্থা ঘোষণা হ'লে আমাৰ ৰাষ্ট্ৰখনৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা একাত্মক ব্যৱস্থাত পৰিণত হ'ব পাৰে। জৰুৰী অৱস্থাৰ সময়ত ক্ষমতা আইন সংগতভাৱেই কেন্দ্ৰীভূত হয়। সংসদে আনকি ৰাজ্যিক সূচীৰ অন্তৰ্ভুক্ত বিষয়তো আইন প্ৰণয়ন কৰিব পৰা ক্ষমতা লাভ কৰে।
- আনকি সাধাৰণ অৱস্থাতো, কেন্দ্ৰীয় চৰকাৰৰ গুৰুত্বপূৰ্ণ বিত্তীয় ক্ষমতা আৰু দায়িত্ব আছে। প্ৰথমতে, ৰাজহ আহৰণ কৰিব পৰা বিষয়সমূহ কেন্দ্ৰীয় চৰকাৰৰ অধীনত থাকে। এইদৰে, কেন্দ্ৰীয় চৰকাৰৰ বহুতো ৰাজহৰ উৎস আছে। কিন্তু, ৰাজ্যবোৰ প্ৰধানকৈ কেন্দ্ৰৰ অনুদান আৰু বিত্তীয় সাহায্যৰ ওপৰত নিৰ্ভৰশীল। দ্বিতীয়তে, ভাৰতে স্বাধীনতাৰ পিছত দ্ৰুত অৰ্থনৈতিক প্ৰগতি আৰু উন্নয়ণৰ বাবে পৰিকল্পনাক আহিলা হিচাপে গ্ৰহণ কৰিছে। পৰিকল্পনাৰ বাবেও অৰ্থনৈতিক সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত কেন্দ্ৰৰ প্ৰাধান্য বৃদ্ধি পাইছে। কেন্দ্ৰীয় চৰকাৰে নিযুক্তি দিয়া পৰিকল্পনা আয়োগে সমন্বয়ৰক্ষক আহিলা (Coordinating machinery) হিচাপে ৰাজ্যসমূহৰ সম্পদ ব্যৱস্থাপনা, নিয়ন্ত্ৰণ আৰু তত্বাৱধান কৰে। ইয়াৰ উপৰিও ৰাজ্যসমূহক অনুদান আৰু ঋণ দিয়াৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে নিজৰ বিবেচনা



মই এতিয়া বুজি পাইছো যে আমাৰ সংবিধানখন কেৱল আনৰ পৰা ধাৰ কৰা নহয়। ই আমাৰ প্ৰয়োজন অনুসৰি যুক্তৰাষ্ট্ৰৰ ব্যৱস্থা কৰিছে।

DAILY ASSAM



অনুসৰি সিদ্ধান্ত গ্ৰহণ কৰে। এনে ধৰণে কৰা সম্পদ বিতৰণ পক্ষপাতিত্বপূৰ্ণ হয় আৰু বিৰোধী দলৰ দ্বাৰা শাসিত ৰাজ্যসমূহ বৈষম্যৰ সম্মুখীন হয় বুলি অভিযোগ কৰা হয়।

- তোমালোকে পিছত পঢ়িবলৈ পাবা যে, ৰাজ্যপালৰ ৰাজ্য চৰকাৰ বৰ্খাস্ত কৰিবলৈ আৰু সদন ভঙ্গ কৰিবলৈ পৰামৰ্শ দিয়াৰ কিছুমান ক্ষমতা থাকে। ইয়াৰ উপৰিও আনকি সাধাৰণ অৱস্থাতো, ৰাজ্যপালে ৰাজ্যিক বিধানসভাই অনুমোদন জনোৱা বিধেয়ক ৰাষ্ট্ৰপতিৰ সন্মতিৰ বাবে সংৰক্ষণ কৰিব পাৰে। এনে ব্যৱস্থাৰ ফলত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক আইন প্ৰণয়নৰ ক্ষেত্ৰত পলম কৰোৱাৰ আৰু তেনে বিধেয়ক পৰীক্ষা কৰি চাই সম্পূৰ্ণভাৱে নামঞ্জুৰ কৰাৰ সুবিধা লাভ কৰে।
- কেতিয়াবা এনে পৰিস্থিতিৰো সৃষ্টি হ'ব পাৰে যে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক সূচীৰ বিষয়ত আইন প্ৰণয়ন কৰাৰ প্ৰয়োজন হয়। এনে প্ৰস্তাৱত ৰাজ্য সভাই সন্মতি জনালেহে সেয়া কাৰ্য্যকৰী হয়। সংবিধানত স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে ৰাজ্যৰ প্ৰশাসনীয় ক্ষমতাতকৈ কেন্দ্ৰৰ প্ৰশাসনীয় ক্ষমতা অধিক।

তদুপৰি, কেন্দ্ৰীয় চৰকাৰে ইচ্ছা কৰিলে ৰাজ্য চৰকাৰক নিৰ্দেশ দিব পাৰে। তলত উল্লেখ কৰা সংবিধানৰ এটা অনুচ্ছেদৰ কিছু অংশই এই কথা স্পষ্ট হোৱাত সহায় কৰিব।



*অ', মোৰ ভাৱ হৈছে যে, কেন্দ্ৰীয় চৰকাৰেই হৈছে সকলো ক্ষমতাসম্পন্ন। এই বিষয়ত ৰাজ্যবোৰে কোনো আপত্তি নকৰেনে?*

২৫৭ (১) নং অনুচ্ছেদ ঃ প্ৰত্যেক ৰাজ্যই প্ৰশাসনীয় ক্ষমতা এনেদৰে প্ৰয়োগ কৰিব যাতে কেন্দ্ৰীয় চৰকাৰৰ প্ৰশাসনীয় ক্ষমতা প্ৰয়োগত বাধা নজন্মায় বা ক্ষতি নকৰে, আৰু ভাৰত চৰকাৰে উচিত বিবেচনা কৰা কোনো কামৰ বাবে ৰাজ্যক নিৰ্দেশ দিয়াৰ ক্ষেত্ৰলৈ কেন্দ্ৰীয় চৰকাৰৰ প্ৰশাসনীয় ক্ষমতা সম্প্ৰসাৰিত হ'ব।

- কাৰ্য্যপালিকা অধ্যায়ত তোমালোকে ইতিমধ্যে অধ্যয়ন কৰিছা যে, আমাৰ এটা অখণ্ড প্ৰশাসনীয় ব্যৱস্থা (Integrated administrative

DAILY ASSAM





System) আছে। সৰ্ব ভাৰতীয় সেৱাসমূহ সমগ্ৰ ভাৰতৰ বাবে একে আৰু এনে সেৱাৰ পৰা বাছি উলিওৱা বিষয়াসকলে ৰাজ্যিক প্ৰশাসনত সেৱা আগবঢ়ায়। এইদৰে ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া এজন উপায়ুক্ত হয় বা এজন ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়াই আৰক্ষী আয়ুক্ত হিচাপে সেৱা আগবঢ়ায়। তেওঁলোক কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণত থাকে। ৰাজ্যবোৰে এনে সেৱাৰ বিষয়াসকলৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে বা অপসাৰণ কৰিব নোৱাৰে।

- সামৰিক আইন বলবৎ থকা সময়ত কেন্দ্ৰ বা ৰাজ্য চৰকাৰৰ অধীনৰ বিষয়াক শৃংখলা ৰক্ষাৰ বাবে কৰা কাৰ্য্যৰ ক্ষেত্ৰত সুৰক্ষা প্ৰদান কৰিবলৈ ৩৩ আৰু ৩৪ নং অনুচ্ছেদে সংসদক কৰ্তৃত্ব প্ৰদান কৰিছে। এই ব্যৱস্থা অনুসৰি সৈন্য বাহিনীৰ বিশেষ ক্ষমতা আইনখন (Armed Forces Special powers Act.) প্ৰস্তুত কৰা হৈছে। কিছুমান ক্ষেত্ৰত এই আইনখনে জনসাধাৰণ আৰু সৈন্যবাহিনীৰ মাজত উত্তেজনাৰো সৃষ্টি কৰিছে।

**তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা**

- আমাৰ সংবিধানখনৰ একাত্মক প্ৰৱণতা আছে বুলি কোৱাৰ দুটা কাৰণ উল্লেখ কৰা।
- **তুমি ভাবানে যে**
  - √ **শক্তিশালী কেন্দ্ৰই ৰাজ্যবোৰক দুৰ্বল কৰে?**
  - √ **শক্তিশালী ৰাজ্যবোৰে কেন্দ্ৰক দুৰ্বল কৰিব?**

## ভাৰতৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত সংঘাত (Conflicts in India's Federal System)

ইতিমধ্যে আমি পাইছো যে, সংবিধানে কেন্দ্ৰক বহুতো গুৰুত্বপূৰ্ণ ক্ষমতা প্ৰদান কৰিছে। এইদৰে সংবিধানে ৰাজ্যবোৰৰ পৃথক অস্তিত্বক স্বীকৃতি দিলেও কেন্দ্ৰক অধিক ক্ষমতা প্ৰদান কৰিছে। এবাৰ যদি ৰাজ্যসমূহৰ সুকীয়া অস্তিত্বক স্বীকৃতি দিয়া হয়, তেতিয়াহ'লে এয়া অতি স্বাভাৱিক কথা যে ৰাজ্যবোৰে, ৰাজ্য আৰু সমগ্ৰ দেশৰ শাসনৰ ক্ষেত্ৰত অধিক ভূমিকা আৰু ক্ষমতা বিচাৰিব। সেইবাবেই ৰাজ্যবোৰে বিভিন্ন দাবী উত্থাপন কৰে। সময়ে সময়ে ৰাজ্যবোৰে দাবী জনায় যে,

DAILY ASSAM



তেওঁলোকক অধিক ক্ষমতা আৰু স্বায়ত্ত শাসনৰ অধিকাৰ প্ৰদান কৰা উচিত। ইয়াৰ ফলত কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত উত্তেজনা আৰু সংঘাতৰ সৃষ্টি হয়। কেন্দ্ৰ আৰু ৰাজ্যৰ মাজৰ (বা দুখন ৰাজ্যৰ মাজৰ) আইন সংগত বিবাদ ন্যায়পালিকাই মীমাংসা কৰিব পাৰে। কিন্তু, স্বায়ত্ত শাসনৰ বাবে দাবী হৈছে ৰাজনৈতিক প্ৰকৃতিৰ আৰু সেইবাবে ইয়াক আলোচনাৰ জৰিয়তে মীমাংসা কৰা আৱশ্যক।

### কেন্দ্ৰ আৰু ৰাজ্যৰ সম্বন্ধ (Centre-State Relations)

সংবিধান হৈছে মূল সংৰচনা (Framework) বা জঁকা, আচল ৰাজনৈতিক প্ৰক্ৰিয়াই ইয়াত তেজ আৰু মাংসৰ যোগান ধৰে। ভাৰতৰ যুক্তৰাষ্ট্ৰবাদ ৰাজনৈতিক প্ৰক্ৰিয়াৰ পৰিৱৰ্তনশীল প্ৰকৃতিৰ দ্বাৰা যথেষ্ট প্ৰভাৱিত হৈছে। কুৰি শতিকাৰ ৫০ ৰ দশকত আৰু ৬০ ৰ দশকৰ আগভাগত জৱাহৰলাল নেহৰুৰ নেতৃত্বত আমাৰ যুক্তৰাষ্ট্ৰবাদৰ ভেটি স্থাপন কৰা হৈছিল। এই সময়ছোৱাত কেন্দ্ৰত আৰু ৰাজ্যবোৰতো কংগ্ৰেছে আধিপত্য বিস্তাৰ কৰিছিল। নতুন ৰাজ্য গঠনৰ বিষয়টোৰ বাহিৰে, এই সময়ত কেন্দ্ৰ আৰু ৰাজ্যৰ মাজৰ সম্পৰ্ক সম্পূৰ্ণ স্বাভাৱিক আছিল। ৰাজ্যবোৰ আশাবাদী আছিল যে, কেন্দ্ৰৰ অনুদানৰ সহায়ত তেওঁলোকে প্ৰগতি লাভ কৰিব পাৰিব। তদুপৰি কেন্দ্ৰই ৰচনা কৰা আৰ্থ-সামাজিক বিকাশৰ নীতিসমূহ আশাব্যঞ্জক আছিল।

কুৰি শতিকাৰ ৬০ ৰ দশকৰ মাজভাগত কংগ্ৰেছৰ আধিপত্যৰ কিছু অৱনতি ঘটিছিল আৰু কেইবাখনো ৰাজ্যত বিৰোধী দল ক্ষমতাত অধিষ্ঠিত হৈছিল। ইয়াৰ ফলত ৰাজ্যবোৰক অধিক ক্ষমতা আৰু অধিক স্বায়ত্ত শাসন প্ৰদানৰ দাবী উত্থাপন হ'বলৈ ধৰিলে। প্ৰকৃততে, কেন্দ্ৰ আৰু বহুতো ৰাজ্যত পৃথক দলে শাসন কৰাৰ ফলতেই এই দাবীবোৰ উত্থাপন হৈছিল। ৰাজ্য চৰকাৰবোৰে তেওঁলোকৰ শাসনত, কেন্দ্ৰৰ কংগ্ৰেছ চৰকাৰৰ অনাৱশ্যক হস্তক্ষেপৰ বিৰোধীতা কৰিছিল। কংগ্ৰেছেও বিৰোধী দলৰ দ্বাৰা পৰিচালিত চৰকাৰৰ লগত সম্পৰ্ক ৰক্ষা কৰিবলৈ ভাল পোৱা নাছিল। এনে অগতানুগতিক ৰাজনৈতিক অৱস্থাৰ ফলত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ অধীনত স্বায়ত্ত শাসন প্ৰদানৰ ধাৰণাটোৰ বিষয়ে আলোচনাৰ সূত্ৰপাত হ'ল।



*এয়া বেছ আমোদজনক কথা। তাৰমানে কেৱল আইন আৰু সংবিধানে সকলো কথা নিৰ্দ্ধাৰণ নকৰে। প্ৰকৃততে, বাস্তৱ ৰাজনীতিয়েহে চৰকাৰৰ প্ৰকৃতি নিৰ্ণয় কৰে।*

DAILY ASSAM




শেষত, ১৯৯০ চনৰ পৰা কংগ্ৰেছৰ আধিপত্য যথেষ্ট পৰিমাণে নোহোৱা হ'ল আৰু আমি, বিশেষকৈ কেন্দ্ৰত সংযুক্ত ৰাজনীতিৰ এটা নতুন যুগত প্ৰৱেশ কৰিলো। ৰাজ্যবোৰতো ৰাষ্ট্ৰীয় আৰু বেলেগ বেলেগ আঞ্চলিক দলে ক্ষমতা লাভ কৰিলে। ইয়াৰ ফলত ৰাজ্যবোৰৰ গুৰুত্ব বাঢ়িল, বৈচিত্ৰই সন্মান লাভ কৰিলে আৰু এটা অধিক পৰিপক্ক যুক্তৰাষ্ট্ৰবাদৰ আৰম্ভণী হ'ল। এইদৰে দ্বিতীয় পৰ্য্যায়ত স্বায়ত্ত শাসনৰ বিষয়টো ৰাজনৈতিকভাৱে অধিক শক্তিশালী হৈ পৰিল।

### স্বায়ত্ত শাসনৰ বাবে দাবী (Demands for Autonomy)

বহুতো ৰাজ্য আৰু আনকি বহুতো ৰাজনৈতিক দলেও সময়ে সময়ে দাবী কৰে যে, ৰাজ্যবোৰে অধিক স্বায়ত্ত শাসনৰ ক্ষমতা লাভ কৰা উচিত। অৱশ্যে 'স্বায়ত্ত শাসন'ক বিভিন্ন দল আৰু ৰাজ্যই বেলেগ বেলেগ অৰ্থত ব্যৱহাৰ কৰে।

- কেতিয়াবা এনে দাবীবোৰে ক্ষমতাৰ বিভাজন বা ৰাজ্যৰ প্ৰতি অধিক সদয় হোৱাকৈ আৰু গুৰুত্বপূৰ্ণ ক্ষমতাবোৰ ৰাজ্যক প্ৰদান কৰাকৈ সলনি কৰিব লাগে বুলি আশা কৰে। বহুতো ৰাজ্য (তামিলনাডু, পঞ্জাব, পশ্চিমবঙ্গ) আৰু বহুতো দলে (ডি. এম. কে, অকালি দল, চি, পি, আই - এম) সময়ে সময়ে স্বায়ত্ত শাসনৰ বাবে দাবী জনাই আহিছে।
- আন এটা দাবী হৈছে যে ৰাজ্যবোৰৰ বাবে ৰাজহৰ স্বাধীন উৎস আৰু সম্পদৰ ওপৰত অধিক নিয়ন্ত্ৰণ থাকিব লাগে। ইয়াক বিত্তীয় স্বায়ত্ত শাসন (Financial autonomy) বুলি জনা যায়। ১৯৭৭ চনত পশ্চিমবঙ্গত বামপন্থী চৰকাৰে ভাৰতত কেন্দ্ৰ আৰু ৰাজ্যৰ সম্পৰ্কৰ পুনৰ গঠনৰ দাবী তুলি এখন দস্তাবেজ (document) প্ৰকাশ কৰিছিল। তামিলনাডু আৰু পাঞ্জাৱে স্বায়ত্ত শাসনৰ বাবে জনোৱা দাবীতো অধিক বিত্তীয় ক্ষমতাৰ ধাৰণাটোৰ প্ৰতি সমৰ্থন নিহিত হৈ আছিল।
- স্বায়ত্তশাসনৰ বাবে দাবীৰ তৃতীয়টো দিশ ৰাজ্যবোৰ প্ৰশাসনীয় ক্ষমতাৰ



*হয়, মই জানো যে হিন্দী ভাৰতবৰ্ষৰ চৰকাৰী ভাষা। কিন্তু ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত মোৰ বহু বন্ধুৱে হিন্দী নাজানে।*

DAILY ASSAM



**ব্যঙ্গ চিত্ৰখন পঢ়া**



Shankar, Copyright: Children's Book Trust.

সংবিধান সভাত ৰাষ্ট্ৰীয় ভাষা সম্পৰ্কে আলোচনা হওঁতে নেহৰুৱে হিন্দীভাষী প্ৰদেশসমূহক অন্যসকলৰ প্ৰতি অধিক সহনশীলতা ভাব প্ৰদৰ্শন কৰিবৰ বাবে আহ্বান জনাবলগীয়া হৈছিল।

উৎস : *Don't Spare me Shankar*, p. 24

লগত জড়িত। ৰাজ্যবোৰে প্ৰশাসন যন্ত্ৰৰ ওপৰত কেন্দ্ৰৰ নিয়ন্ত্ৰণৰ বিৰোধীতা কৰে।

◈ চতুৰ্থতে, স্বায়ত্ত শাসনৰ দাবীক সংস্কৃতিক আৰু ভাষিক বিষয়ৰ লগতো জড়িত কৰিব পাৰি। ইয়াৰ উদাহৰণ হৈছে— হিন্দীৰ আধিপত্যৰ বিৰোধিতা (তামিলনাডুত) বা পাঞ্জাৱী ভাষা আৰু সংস্কৃতিৰ বিকাশৰ বাবে কৰা দাবী। কিছুমান ৰাজ্যই অনুভৱ কৰে যে, হিন্দীভাষী অঞ্চলসমূহে আন আন অঞ্চলসমূহত আধিপত্য বিস্তাৰ কৰি আছে। কুৰি শতিকাৰ ৬০ ৰ দশকত কিছুমান ৰাজ্যত হিন্দী ভাষা জাপি দিয়াৰ বিৰুদ্ধে আন্দোলন কৰা হৈছিল।

## ৰাজ্যপালৰ ভূমিকা আৰু ৰাষ্ট্ৰপতিৰ শাসন (Role of Governors and President's Rule)


ৰাজ্যপালৰ ভূমিকাৰ বিষয়টোৱে সদায়েই কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মাজত বিতৰ্কৰ সৃষ্টি কৰি আহিছে। ৰাজ্যপালৰ পদবীটো নিৰ্বাচিত নহয়। অৱসৰপ্ৰাপ্ত সামৰিক বিষয়া, অসামৰিক বিষয়া বা ৰাজনৈতিক নেতাও ৰাজ্যপাল হয়। তদুপৰি, ৰাজ্যপালক কেন্দ্ৰীয় চৰকাৰে নিযুক্তি দিয়ে বাবে ৰাজ্যপালৰ কাৰ্য্যবোৰ ৰাজ্য চৰকাৰৰ কাম-কাজত কেন্দ্ৰীয় চৰকাৰৰ হস্তক্ষেপ হিচাপে গণ্য কৰা হয়। কেন্দ্ৰ আৰু ৰাজ্যত দুটা পৃথক দল শাসনত থাকিলে ৰাজ্যপালৰ ভূমিকা অধিক বিতৰ্কিত হয়। কেন্দ্ৰ আৰু ৰাজ্যৰ সম্পৰ্ক পৰ্য্যালোচনা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে নিযুক্তি দিয়া সাৰকাৰিয়া আয়োগে (১৯৮৩ ; ১৯৮৮ চনত প্ৰতিবেদন দাখিল কৰিছিল) পৰামৰ্শ আগবঢ়াইছিল যে, ৰাজ্যপালৰ পদবীটোৰ নিযুক্তি দলীয় ভিত্তিত হোৱা উচিত নহয়।

DAILY ASSAM



আন এটা কাৰণতো ৰাজ্যপালৰ ক্ষমতা আৰু ভূমিকা বিতৰ্কিত হৈছে। সংবিধানৰ এটা আটাইতকৈ বিতৰ্কিত অনুচ্ছেদ হৈছে ৰাজ্যত ৰাষ্ট্ৰপতিৰ শাসনৰ ব্যৱস্থা থকা ৩৫৬ নং অনুচ্ছেদ। 'যেতিয়া ৰাজ্যত এনে অৱস্থা বিৰাজ কৰে যে, সংবিধান অনুসৰি ৰাজ্যৰ শাসন চলাব পৰা নাযায়' তেতিয়া এই অনুচ্ছেদটো প্ৰয়োগ কৰিব পাৰি। ইয়াৰ ফলত ৰাজ্যৰ শাসন কেন্দ্ৰীয় চৰকাৰৰ হাতলৈ যায়। ৰাষ্ট্ৰপতিৰ এনে ঘোষণাত সংসদে অনুমোদন জনাব লাগে। ৰাষ্ট্ৰপতিৰ শাসন তিনি বছৰলৈ বৃদ্ধি কৰিব পৰা যায়। ৰাজ্যপালৰ ৰাজ্য চৰকাৰ বৰ্খাস্ত কৰিবলৈ আৰু ৰাজ্যিক বিধানসভা ভঙ্গ বা নিষ্ক্ৰিয় কৰি ৰাখিবলৈ পৰামৰ্শ দিয়াৰ ক্ষমতা আছে। ইয়াৰ ফলতো বহুতো সংঘাতৰ সৃষ্টি হৈছে। কিছুমান ক্ষেত্ৰত, ১৯৫৯ চনত কেৰালাত হোৱাৰ দৰে —বিধানসভাতসংখ্যাগৰিষ্ঠতা থকাস্বত্বেও ৰাজ্যচৰকাৰ ভঙ্গ কৰা হৈছে, বা ১৯৬৭ চনৰ পিছত বিভিন্ন ৰাজ্যত হোৱাৰ দৰে সংখ্যাগৰিষ্ঠতা আছে নে নাই পৰীক্ষা নকৰাকৈয়ে ৰাজ্য চৰকাৰ ভঙ্গ কৰা হৈছে। কিছুমান ৰাজ্যই উচ্চতম ন্যায়ালয়ৰ ওচৰলৈ গৈছে

**ব্যঙ্গ চিত্ৰখন পঢ়া**




Shankar. Copyright: Children's Book Trust.

নেহৰুৱে যেতিয়া ৰাজ্যপালসকলক নিযুক্তি দিছিল তেতিয়া কিছুসংখ্যকে মন্ত্ৰীত্বৰ আসন এৰিবলৈ অনিচ্ছা প্ৰকাশ কৰিছিল।

উৎস ঃ *Don't Spare me Shankar,* p. 89

**ব্যঙ্গ চিত্ৰখন পঢ়া**



R K Laxman in The Times of India.

ৰাজ্য চৰকাৰ ওফৰোৱা খেলটো খেলি সকলোৱে ভাল পায়।


DAILY ASSAM



আৰু ন্যায়ালয়ে মত প্ৰকাশ কৰিছে যে, ৰাষ্ট্ৰপতিৰ শাসন জাৰি কৰাৰ সিদ্ধান্ত সংবিধান সন্মত হয় নে নহয় সেই কথা ন্যায়পালিকাই পৰীক্ষা কৰি চাব পাৰে।

১৯৬৭ চনলৈ ৩৫৬ নং অনুচ্ছেদটো কাচিৎহে প্ৰয়োগ কৰা হৈছিল। ১৯৬৭ চনৰ পিছত বহুতো ৰাজ্যত অনা কংগ্ৰেছ চৰকাৰ গঠন হৈছিল কিন্তু, কেন্দ্ৰত কংগ্ৰেছৰেই চৰকাৰ আছিল। কেন্দ্ৰই প্ৰায়ে ৰাজ্য চৰকাৰ বৰ্খাস্ত কৰিবলৈ এই অনুচ্ছেদটো ব্যৱহাৰ কৰিছিল বা সংখ্যাগৰিষ্ঠ দল বা জোঁটক ক্ষমতা দখল কৰাত বাধা দিবলৈ ৰাজ্যপালৰ পদৰীটো ব্যৱহাৰ কৰিছিল। উদাহৰণস্বৰূপে, কুৰি শতিকাৰ দশকত অন্ধ্ৰপ্ৰদেশ আৰু জম্মু আৰু কাশ্মীৰত নিৰ্বাচিত চৰকাৰ অপসাৰণ কৰিছিল।

**ব্যঙ্গ চিত্ৰখন পঢ়া**



তুন ৰাজ্য গঠনৰ বাবে দাবীৰ প্লাৱন

### নতুন ৰাজ্যৰ কাৰণে দাবী (Demands for New States)

আমাৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ উত্তেজনাৰ আন এটা দিশ হৈছে নতুন ৰাজ্য সৃষ্টিৰ বাবে দাবী। স্বাধীনতা আন্দোলনে সমগ্ৰ ভাৰততে কেৱল ৰাষ্ট্ৰীয় ঐক্যৰে সৃষ্টি কৰা নাছিল, ই একে ভাষা, অঞ্চল আৰু সংস্কৃতিৰ মাজতো স্পষ্টভাৱেই একতাৰ সৃষ্টি কৰিছিল। আমাৰ স্বাধীনতা আন্দোলনৰ সময়তেই এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল যে যিমানদূৰ সম্ভৱ ৰাজ্যবোৰ উমৈহতীয়া সংস্কৃতি আৰু ভাষিক স্বকীয়তাৰ ভিত্তিত সৃষ্টি কৰা হ'ব।

ইয়াৰ ফলতেই অৱশেষত স্বাধীনতাৰ পিছত ভাষাৰ ভিত্তিত ৰাজ্য সৃষ্টিৰ দাবী উত্থাপন হৈছিল। ১৯৫৪ চনত ৰাজ্য পুনৰ গঠন আয়োগ স্থাপন কৰা হৈছিল আৰু ই অন্তত ঃ প্ৰধান ভাষিক গোটসমূহৰ বাবে ভাষাৰ ভিত্তিত ৰাজ্য গঠন কৰাৰ পৰামৰ্শ আগবঢ়াইছিল। ১৯৫৬ চনত কেইখনমান ৰাজ্যৰ পুনৰ গঠন কৰা হৈছিল। ভাষাৰ ভিত্তিত ৰাজ্য গঠনৰ এয়াই আৰম্ভণী আছিল আৰু এই প্ৰক্ৰিয়া এতিয়াও চলি আছে। ১৯৬০ চনত গুজৰাট আৰু মহাৰাষ্ট্ৰ গঠিত হৈছিল। ১৯৬৬ চনত পাঞ্জাৱ আৰু হাৰিয়ানাক পৃথক কৰা হৈছিল। পিছলৈ, উত্তৰ-পূৰ অঞ্চলৰ পুনৰ গঠন কৰা হৈছিল

DAILY ASSAM





*কাৰ্য্যাৱলী*

ভাৰতৰ ৰাজ্যসমূহৰ এখন তালিকা প্ৰস্তুত কৰা আৰু প্ৰত্যেকখন ৰাজ্য কেতিয়া গঠন হৈছিল লিখা।

আৰু মেঘালয়, মণিপুৰ, অৰুণাচল প্ৰদেশ আদি কেইখনমান নতুন ৰাজ্য গঠন হৈছিল।

কুৰি শতিকাৰ ৯০ ৰ দশকত পৃথক ৰাজ্যৰ দাবী পূৰণ কৰিবলৈ আৰু অধিক প্ৰশাসনীয় দক্ষতা লাভৰ বাবে বৃহৎ ৰাজ্য কিছুমানক ভাগ কৰা হৈছিল। এইদৰে, বিহাৰ, উত্তৰ প্ৰদেশ আৰু মধ্য প্ৰদেশক ভাগ কৰি নতুন ৰাজ্য গঠন কৰা হৈছিল। সেইবোৰ হৈছে ক্ৰমে ঝাৰখণ্ড, উত্তৰাঞ্চল আৰু ছত্তিশগড়। তেলেঙ্গানা (অন্ধ্ৰপ্ৰদেশ) আৰু বিদৰ্ভ (মহাৰাষ্ট্ৰ) আদি কিছুমান অঞ্চল আৰু ভাষিক গোষ্ঠীয়ে এতিয়াও পৃথক ৰাজ্যৰ বাবে সংগ্ৰাম কৰি আছে।



*অ', তাৰমানে যুক্তৰাষ্ট্ৰবাদ কেৱল সংঘাতৰ লগতেই জড়িত। প্ৰথমে আমি কেন্দ্ৰ আৰু ৰাজ্যৰ সংঘাতৰ বিষয়ে আলোচনা কৰিলো আৰু এতিয়া ৰাজ্যবোৰৰ মাজৰ সংঘাতৰ বিষয়ে কোৱা হৈছে। আমি শান্তিপূৰ্ণভাৱে একেলগে থাকিব নোৱাৰোনে?*

## আন্তঃৰাজ্যিক সংঘাত (Interstate Conflicts)

ৰাজ্যবোৰে কেন্দ্ৰৰ লগত স্বায়ত্ত শাসন আৰু ৰাজহৰ উৎসব অংশ আদি বিষয়ত বিবাদত লিপ্ত হৈ থাকে। কিন্তু, দুখন বা ততোধিক ৰাজ্যৰ মাজৰ বিবাদৰো বহুত উদাহৰণ আছে। এই কথা সঁচা যে, আইনসঙ্গত প্ৰকৃতিৰ বিবাদসমূহত ন্যায়পালিকাই মধ্যস্থতাকাৰী আহিলা হিচাপে কাম কৰে। কিন্তু, প্ৰকৃততে এই বিবাদসমূহত কেৱল আইনৰ কথাই জড়িত হৈ নাথাকে। এইবোৰৰ ৰাজনৈতিক তাৎপৰ্য্যও আছে। সেইবাবে আলোচনা আৰু পাৰস্পৰিক বুজাপৰাৰ মাজেৰেহে এইবোৰ মীমাংসা কৰিব পৰা যায়।

বহলভাৱে, দুই ধৰণৰ বিবাদ বাৰে বাৰে উদ্ভৱ হৈ থাকে। এটা হৈছে সীমান্ত সম্পৰ্কীয় বিবাদ। ৰাজ্যবোৰৰ নিজৰ চুবুৰীয়া ৰাজ্যৰ ভূখণ্ডতো কিছু দাবী থাকে। ৰাজ্যৰ সীমা নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত ভাষা মূল

DAILY ASSAM



ভিত্তি হ'লেও, প্ৰায়ে সীমান্ত অঞ্চলসমূহত এটাতকৈ অধিক ভাষিক গোষ্ঠী থাকে। সেইবাবে কেৱল ভাষিক সংখ্যাগৰিষ্ঠতাৰ ভিত্তিত বিবাদ নিষ্পত্তি কৰাটো সহজ নহয়। বেলগাম চহৰৰ বাবে মহাৰাষ্ট্ৰ আৰু কৰ্ণাটকৰ মাজৰ বিবাদ বহুদিনৰ পৰা চলি আছে। পূৰ্বৰ পাঞ্জাব ৰাজ্যৰ হাৰিয়ানাক পৃথক ৰাজ্য হিচাপে গঠন কৰাৰ পিছত দুয়োখন ৰাজ্যৰ মাজত সীমান্ত অঞ্চলৰ উপৰিও ৰাজধানী চহৰ চণ্ডীগড়ক লৈও বিবাদ চলি আছে। বৰ্তমান এই চহৰখন দুয়োখন ৰাজ্যৰ ৰাজধানী হিচাপে আছে। ১৯৮৫ চনত সেই সময়ৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে চণ্ডীগড়খন পাঞ্জাৱক হস্তান্তৰ কৰা হ'ব বুলি পাঞ্জাৱৰ নেতাসকলৰ লগত বুজাপৰাত উপনীত হৈছিল। কিন্তু, এতিয়ালৈ ইয়াক কাৰ্যকৰী কৰা হোৱা নাই।

সীমান্ত সম্পৰ্কীয় বিবাদসমূহ প্ৰধানকৈ আৱেগৰ লগত জড়িত। কিন্তু, নদীৰ পানী বিতৰণৰ সমস্যাটো তাতকৈও অধিক গুৰুত্বপূৰ্ণ। কিয়নো ইয়াৰ লগত সেই ৰাজ্যবোৰৰ জনসাধাৰণৰ খোৱাপানী আৰু কৃষিৰ সমস্যাৰ কথা জড়িত হৈ আছে। তোমালোকে নিশ্চয় কাবেৰী নদীৰ পানীৰ বাবে হোৱা বিবাদৰ কথা শুনিছা। তামিলনাডু আৰু কৰ্ণাটকৰ মাজত ই হৈছে এটা প্ৰধান বিবাদৰ বিষয়। দুয়োখন ৰাজ্যৰ কৃষকসকল কাবেৰী নদীৰ পানীৰ ওপৰত নিৰ্ভৰশীল। নদীৰ পানী সম্পৰ্কীয় বিবাদ নিষ্পত্তিৰ বাবে এখন 'ৰিভাৰ ৱাটাৰ ট্ৰাইবুনেল' আছে যদিও ইতিমধ্যে এই বিবাদ উচ্চতম ন্যায়ালয় পাইছেগৈ। এনে ধৰণৰ আন এটা বিবাদত গুজৰাট, মধ্যপ্ৰদেশ আৰু মহাৰাষ্ট্ৰই নৰ্মদা নদীৰ



*বা ঃ, ৰাজ্যপাল, ভাষা, সীমান্ত আৰু পানীৰ বাবে বিবাদ .... তথাপি আমি একেলগে থাকিব পাৰিছো।*

### কাৰ্য্যাৱলী

দুখন বা ততোধিক ৰাজ্যৰ মাজত নদীৰ পানীৰ বাবে থকা বিবাদৰ বিষয়ে অন্তত ঃ এটা খবৰ সংগ্ৰহ কৰা।

DAILY ASSAM



**তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা**

- ৰাজ্যবোৰে অধিক স্বায়ত্ত শাসন কিয় বিচাৰে?
- স্বায়ত্ত শাসন (Autonomy) আৰু বিচ্ছিন্নতাবাদৰ (Secession) মাজৰ পাৰ্থক্য কি?

পানীৰ বিতৰণৰ বাবে বিবাদত লিপ্ত হৈ আছে। নদী হৈছে এবিধ প্ৰধান সম্পদ আৰু সেইবাবে নদীৰ পানীৰ বাবে হোৱা বিবাদে ৰাজ্যবোৰৰ ধৈৰ্য্য আৰু সহযোগিতাৰ মনোবৃত্তিৰ পৰীক্ষা চায়।

## বিশেষ ব্যৱস্থা (Special Provisions)

ভাৰতৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ এটা অভিনৱ বৈশিষ্ট্য হৈছে যে ইয়াৰ বহুতো ৰাজ্যৰ বাবে বিশেষ ধৰণৰ ব্যৱস্থা আছে। বিধানমণ্ডল অধ্যায়টোত ইতিমধ্যে আমি উল্লেখ কৰিছো যে প্ৰত্যেক ৰাজ্যৰ জনসংখ্যা যিহেতু পৃথক সেইবাবে ৰাজ্যসভাত অ-সম প্ৰতিনিধিত্বৰ ব্যৱস্থা কৰা হৈছে। সৰু ৰাজ্যৰ বাবে ন্যুনতম প্ৰতিনিধিত্বৰ ব্যৱস্থা কৰিলেও, ডাঙৰ ৰাজ্যই যাতে অধিক প্ৰতিনিধিত্ব লাভ কৰিব পাৰে সেই কথাও নিশ্চিত কৰিছে।

ক্ষমতাৰ বিভাজনৰ ক্ষেত্ৰতো সংবিধানে সকলো ৰাজ্যৰ বাবে একে ধৰণৰ ক্ষমতা বিভাজনৰ ব্যৱস্থা কৰিছে। কিন্তু, তথাপিও বিশেষ সামাজিক আৰু ঐতিহাসিক অৱস্থা থকা ৰাজ্যৰ বাবে সংবিধানে বিশেষ ব্যৱস্থা কৰিছে। এনে বিশেষ ব্যৱস্থা প্ৰধানকৈ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ (অসম, নাগালেণ্ড, অৰুণাচল প্ৰদেশ, মিজোৰাম আদি) বাবে আছে, কিয়নো ইয়াত বৃহৎ সংখ্যক খিলঞ্জীয়া জনজাতীয় লোক আছে যিয়ে নিজৰ সুস্পষ্ট ইতিহাস আৰু সংস্কৃতি অক্ষুণ্ণ ৰাখিব বিচাৰে (৩৭১ নং অনুচ্ছেদ)। অৱশ্যে এই ব্যৱস্থাই অঞ্চলটোৰ কিছুমান অংশত বিচ্ছিন্নতাবাদ আৰু সন্ত্ৰাসবাদ ৰোধ কৰিব পৰা নাই। হিমাচল প্ৰদেশৰ দৰে পাহাৰীয়া ৰাজ্য আৰু অন্ধ্ৰপ্ৰদেশ, গোৱা, গুজৰাট, মহাৰাষ্ট্ৰ, ছিকিম আদিৰ দৰে আন কিছুমান ৰাজ্যৰ বাবেও বিশেষ ব্যৱস্থা আছে।



*প্ৰথম অধ্যায়ত তেওঁলোকে "বুদ্ধিদীপ্ত আৰু ভাৰসাম্যপূৰ্ণ নক্সা" বুলি কি অৰ্থ কৰিছিল সেয়া মই এতিয়া বুজি পাইছো।*

DAILY ASSAM



### জম্মু আৰু কাশ্মীৰ

বিশেষ মৰ্যাদা থকা আন এখন ৰাজ্য হৈছে জম্মু আৰু কাশ্মীৰ (৩৭০ নং অনুচ্ছেদ)। জম্মু আৰু কাশ্মীৰ এখন ডাঙৰ দেশীয় ৰাজ্য (Princely State) আছিল আৰু স্বাধীনতাৰ সময়ত ইয়াক নিজৰ ইচ্ছামতে ভাৰত বা পাকিস্তানত অন্তৰ্ভূক্ত হোৱাৰ সুবিধা দিয়া হৈছিল। স্বাধীনতাৰ ঠিক পিছতেই কাশ্মীৰৰ বাবে ভাৰত আৰু পাকিস্তানৰ মাজত এখন যুদ্ধ হৈছিল। এনে পৰিস্থিতিত কাশ্মীৰৰ মহাৰজাই ভাৰতবৰ্ষত অন্তৰ্ভূক্ত হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল।

মুছলমান সংখ্যাগৰিষ্ঠতা থকা বেছিভাগ ৰাজ্যই পাকিস্তানৰ অৰ্ন্তভূক্ত হৈছিল, কিন্তু, জম্মু আৰু কাশ্মীৰ ব্যতিক্ৰম আছিল। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত সংবিধানে ইয়াক অধিক স্বায়ত্ত শাসন প্ৰদান কৰিছিল। ৩৭০ নং অনুচ্ছেদ অনুসৰি কেন্দ্ৰীয় সূচী আৰু সমৱৰ্তী সূচীৰ কোনো বিষয়ত আইন প্ৰণয়ন কৰিব লাগিলে ৰাজ্যখনৰ অনুমোদনৰ প্ৰয়োজন। আন ৰাজ্যৰ ক্ষেত্ৰত তিনিখন তালিকাৰ জৰিয়তে যি ক্ষমতাৰ বিভাজন কৰা হৈছে সেয়া স্বয়ংক্ৰিয়ভাৱে কাৰ্যকৰী হয়। জম্মু আৰু কাশ্মীৰৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ সীমিত ক্ষমতাহে আছে আৰু কেন্দ্ৰীয় আৰু সমৱৰ্তী সূচীত থকা বিষয়সমূহ ৰাজ্য চৰকাৰৰ সন্মতি লাভ কৰিলেহে প্ৰয়োগ কৰিব পাৰে। এইদৰে জম্মু আৰু কাশ্মীৰে অধিক স্বায়ত্ত শাসন লাভ কৰিছে।

অৱশ্যে বাস্তৱত জম্মু আৰু কাশ্মীৰৰ ক্ষমতা ৩৭০ নং অনুচ্ছেদত প্ৰকাশ কৰা ধৰণতকৈ যথেষ্ট কম। সংবিধানত থকা এটা ব্যৱস্থা অনুসৰি কেন্দ্ৰীয় সূচীত থকা কোনবোৰ বিষয় ৰাজ্যখনত প্ৰযোজ্য হ'ব সেই বিষয়ে ৰাজ্য চৰকাৰৰ অনুমোদন ক্ৰমে ৰাষ্ট্ৰপতিয়ে সংবিধানৰ বহুলাংশ ৰাজ্যখনত প্ৰযোজ্য হোৱাকৈ দুখন সাংবিধানিক নিৰ্দেশনা (Constitutional Order) জাৰি কৰিছে। ইয়াৰ ফলত জম্মু আৰু কাশ্মীৰৰ এখন পৃথক সংবিধান আৰু এখন পৃথক পতাকা থাকিলেও কেন্দ্ৰীয় সূচীত অন্তৰ্ভূক্ত বিষয়ত সংসদৰ আইন প্ৰণয়ন কৰিব পৰা ক্ষমতা এতিয়া সম্পূৰ্ণৰূপে গ্ৰহণ কৰা হৈছে।

জম্মু আৰু কাশ্মীৰ আৰু আন ৰাজ্যবোৰৰ মাজত থকা আন পাৰ্থক্যসমূহ হৈছে যে জম্মু আৰু কাশ্মীৰত ৰাজ্য চৰকাৰৰ অনুমোদন নোহোৱাকৈ আভ্যন্তৰীণ অশান্তিৰ বাবে জৰুৰী অৱস্থা ঘোষণা কৰিব নোৱাৰি। কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনত বিত্তীয়

DAILY ASSAM





জৰুৰী অৱস্থা জাপি দিব নোৱাৰে আৰু নির্দেশাত্মক নীতিসমূহ ইয়াত প্রযোজ্য নহয়। শেষত, ভাৰতৰ সংবিধানৰ সংশোধনসমূহ (৩৬৮ নং অনুচ্ছেদ অনুসৰি) জম্মু আৰু কাশ্মীৰ চৰকাৰৰ অনুমোদনক্রমেহে তাত প্রয়োগ কৰিব পৰা যায়।

বহুতে ভাৱে যে, যুক্তৰাষ্ট্ৰত সকলো অংশৰ (ৰাজ্য) বাবে প্রযোজ্য হোৱাকৈ আনুষ্ঠানিক আৰু সম্পূর্ণ সমান ক্ষমতাৰ বিভাজন থকা উচিত। সেইবাবে, যেতিয়াই এনে কিছুমান বিশেষ ব্যৱস্থাৰ সৃষ্টি কৰা হয় তেতিয়াই কিছু বিৰোধিতাৰ উদয় হয়। এনে বিশেষ ব্যৱস্থাই সেই অঞ্চলসমূহক বিচ্ছিন্নতাবাদলৈ পৰিচালিত কৰাৰ আশংকা আছে। সেইবাবে এনে বিশেষ ব্যৱস্থাই বিতর্কৰ সৃষ্টি কৰিছে।

**সামৰণি**

যুক্তৰাষ্ট্ৰবাদ হৈছে, প্ৰত্যেকটো বং পৃথকভাৱে থকা অথচ গোটেইবোৰ লগ-লাগি এক সু-সংবদ্ধ বিন্যাসৰ সৃষ্টি কৰা ৰামধেনুৰ নিচিনা। যুক্তৰাষ্ট্ৰবাদে কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত ধাৰাবাহিকভাৱে এক জটিল ভাৰসাম্য ৰক্ষা কৰিব লাগে। কোনো আইনগত বা আনুষ্ঠানিক সূত্ৰই যুক্তৰাষ্ট্ৰীয় শাসন বাধাহীনভাৱে চলাৰ নিশ্চয়তা প্ৰদান কৰিব নোৱাৰে। ইয়াৰ বাবে জনসাধাৰণ আৰু ৰাজনৈতিক প্ৰক্ৰিয়াই এটা সংস্কৃতি, আৰু পাৰস্পৰিক আস্থা, সহনশীলতা আৰু সহযোগিতাৰ মনোবৃত্তি আদিৰ দৰে কিছুমান মূল্যবোধ আৰু গুণৰ বিকাশ সাধন কৰিব লাগিব। যুক্তৰাষ্ট্ৰবাদত একতা আৰু বৈচিত্ৰ এই দুয়োটাই সহ অৱস্থান কৰে। পাৰ্থক্যসমূহ একাষৰীয়া কৰি থৈ ৰাষ্ট্ৰীয় ঐক্য সাধন কৰিব নোৱাৰি। এনেধৰণৰ বলপূৰ্বকভাৱে কৰা ঐক্যই অধিক সামাজিক বিৰোধ আৰু বিচ্ছিন্নতাৰহে সৃষ্টি কৰিব আৰু শেষত একতা বিনষ্ট কৰিব। বৈচিত্ৰ আৰু স্বায়ত্ত শাসনৰ দাবীৰ প্ৰতি সহানুভূতিসম্পন্ন আৰু সঁহাৰিদায়ক শাসন ব্যৱস্থাহে সহযোগিতামূলক যুক্তৰাষ্ট্ৰৰ ভিত্তি হ'ব পাৰে।

---

## অনুশীলনী

১। **তলৰ তালিকাত উল্লেখ কৰা কোনবোৰ ঘটনাক তুমি যুক্তৰাষ্ট্ৰীয় কাৰ্য্যকলাপ হিচাপে চিহ্নিত কৰিবা? কিয়?**

√ কেন্দ্ৰই মঙ্গলবাৰে জি এন এল এফৰ দ্বাৰা পৰিচালিত দাৰ্জিলিং গোৰ্খাপাৰ্বত্য পৰিষদক ষষ্ঠ অনুসূচীৰ মৰ্যাদা প্ৰদান কৰা বুলি ঘোষণা কৰে। ইয়াৰ ফলত পশ্চিমবঙ্গৰ পাৰ্বত্য জিলাৰ গৱৰ্ণিং বডিৰ অধিক স্বায়ত্ত শাসন নিশ্চিত হ'ব।

DAILY ASSAM



কেন্দ্ৰ, পশ্চিমবঙ্গ চৰকাৰ আৰু সুভাষ ঘিষিং পৰিচালিত গোৰ্খা নেশ্যনেল লিবাৰেশ্যন ফ্ৰন্টৰ মাজত নতুন দিল্লীত দুদিন ধৰি চলা বিৰতিহীন আলোচনাৰ পিছত এখন তিনিদলীয় মেম'ৰেণ্ডাম অৱ ছেট্‌লমেন্টত (Memorandum of Settlement) স্বাক্ষৰ কৰা হয়।

√ বৰ্ষা-বিঘ্নিত ৰাজ্যসমূহৰ বাবে কেন্দ্ৰৰ কাৰ্য্য-পৰিকল্পনা (action plan)ঃ কেন্দ্ৰই বৰ্ষা অধ্যুষিত ৰাজ্যসমূহক তেওঁলোকে অতিৰিক্ত সাহাৰ্য্যৰ বাবে কৰা দাবী যাতে খৰতকীয়াকৈ পূৰণ কৰিব পাৰে তাৰ বাবে পুনৰ গঠনৰ বিস্তৃত পৰিকল্পনা দাখিল কৰিব কৈছে।

√ দিল্লীৰ বাবে নতুন আয়ুক্ত ঃ ৰাজধানীৰ বাবে এজন নতুন পৌৰ আয়ুক্তৰ ব্যৱস্থা কৰা হৈছে। বৰ্তমানৰ এম. চি. ডি. আয়ুক্ত (MCD Comissioner) ৰাকেশ মেহতাই এই কথা নিশ্চিত কৰি কয় যে, তেওঁ ইতিমধ্যে বদলিৰ আদেশ লাভ কৰিছে আৰু তেওঁৰ ঠাইত অৰুণাচল প্ৰদেশৰ মূখ্য সচিব হিচাপে কাৰ্য্য নিৰ্বাহ কৰি থকা ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া অশোক কুমাৰে নিযুক্তি লাভ কৰাৰ সম্ভাৱনা আছে। ১৯৭৫ চনৰ ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া মেহতাই প্ৰায় ৩$\frac{১}{২}$ বছৰ দিল্লী পৌৰ নিগমৰ মূৰব্বী হিচাপে আছিল।

√ মণিপুৰ বিশ্ববিদ্যালয়ক কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ মৰ্যাদা প্ৰদান ঃ ৰাজ্যসভাই বুধবাৰে মণিপুৰ বিশ্ববিদ্যালয়ক কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত পৰিণত কৰিবলৈ এখন বিধেয়কত অনুমোদন জনায়। মানৱ সম্পদ উন্নয়ণ মন্ত্ৰীয়ে উত্তৰ পূৱৰ ৰাজ্য অৰুণাচল প্ৰদেশ, ত্ৰিপুৰা আৰু চিকিমতো এনে অনুষ্ঠান প্ৰতিষ্ঠা কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

√ পুঁজি মুকলি ঃ গ্ৰাম্য পানী যোগান আঁচনিৰ অধীনত কেন্দ্ৰই অৰুণাচল প্ৰদেশলৈ ৫৫৩ লাখ টকা মোকোলাই দিছে। প্ৰথম পৰ্যায়ত ৪৬৬.৮১ লাখ টকা মুকলি কৰি দিয়া হৈছিল।

√ মুম্বাইত কেনেকৈ বাস কৰিব লাগে আমি বিহাৰীসকলক শিকনি দিম ঃ প্ৰায় ১০০ শিৱ সৈনিকে জে. জে. হাস্পতাল আক্ৰমণ কৰি দৈনন্দিন কাম-কাজত বাধা জন্মায়। তেওঁলোকে শ্লোগান দিয়ে আৰু মহাৰাষ্ট্ৰৰ বাহিৰৰ

ছাত্ৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব বুলি ভাবুকি প্ৰদান কৰে।

√ চৰকাৰ বৰ্খাস্ত কৰিবলৈ দাবী : কংগ্ৰেছ বিধায়িনী দলে (Congress Legisletuve Party-CLP) অলপতে ৰাজ্যপালক প্ৰদান কৰা এখন আবেদনত বিত্তীয় বেমেজালি আৰু ৰাজহুৱা ধন আত্মসাৎ কৰাৰ অভিযোগত নাগালেণ্ড গণতান্ত্ৰিক মৰ্চা চৰকাৰক বৰ্খাস্ত কৰিবলৈ দাবী জনায়।

√ নক্সালবাদী সকলক অস্ত্ৰ সমৰ্পণ কৰিবলৈ ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা (NDA) চৰকাৰৰ আহ্বান : বিৰোধী দল - ৰাষ্ট্ৰীয় জনতা দল আৰু ইয়াৰ সহযোগী কংগ্ৰেছ আৰু চি পি আই (এম) ৰ সদন ত্যাগৰ মাজতে বিহাৰ চৰকাৰে নক্সালবাদীসকলক হিংসাৰ পথ পৰিহাৰ কৰিবলৈ আহ্বান জনায়। চৰকাৰে নিবনুৱা সমস্যা নিৰ্মূল কৰি এটা নতুন যুগত প্ৰৱেশ কৰোৱাৰ ইয়াৰ প্ৰতিশ্ৰুতিৰ বিষয়েও দোহাৰে।

২। তলত উল্লেখ কৰা কোনটো বাক্য শুদ্ধ ভাৱি চোৱা আৰু কিয় লিখা।

√ যুক্তৰাষ্ট্ৰবাদত বিভিন্ন অঞ্চলৰ মানুহে, এজনে আনজনৰ ওপৰত নিজৰ সংস্কৃতি জাপি দিয়াৰ ভয় নথকাকৈ মনৰ ভাৱ আদান-প্ৰদান কৰিব পৰা সম্ভাৱনা থাকে।

√ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত বেলেগ বেলেগ সম্পদ থকা পৃথক অঞ্চলসমূহৰ মাজত সহজভাৱে অৰ্থনৈতিক আদান-প্ৰদানত বাধাৰ সৃষ্টি হয়।

√ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাই কেন্দ্ৰৰ সীমিত ক্ষমতা থকাটো নিশ্চিত কৰিব।

৩। তলত উল্লেখ কৰা বেলজিয়ামৰ সংবিধানৰ প্ৰথম কেইটামান অনুচ্ছেদৰ ওপৰত ভিত্তি কৰি সেই দেশখনত কেনে ধৰণৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা আছে বাখ্যা কৰা। ভাৰতৰ সংবিধানৰ বাবে তেনে ধৰণৰ অনুচ্ছেদ একোটা লিখিবলৈ চেষ্টা কৰা।

**শিৰোনামা ১ : যুক্তৰাষ্ট্ৰীয় বেলজিয়াম : ইয়াৰ উপাদান আৰু ভূমিখণ্ড**

**১ নং অনুচ্ছেদ :** বেলজিয়াম হৈছে কিছুমান সম্প্ৰদায় আৰু অঞ্চলক লৈ গঠন হোৱা এখন যুক্তৰাষ্ট্ৰ।

**২ নং অনুচ্ছেদ :** তিনিটা সম্প্ৰদায়ৰদ্বাৰা বেলজিয়াম গঠিত হৈছে : ফৰাচী সম্প্ৰদায়, ফ্লেমিছ সম্প্ৰদায় (Flemish) আৰু জাৰ্মান সম্প্ৰদায়।

DAILY ASSAM



**৩ নং অনুচ্ছেদ ঃ** বেলজিয়াম তিনিটা অঞ্চলক লৈ গঠিত হৈছে ঃ ৱালুন অঞ্চল (Walloon region), ফ্লেমিছ অঞ্চল (Flemish region) আৰু ব্ৰাচেলচ্ অঞ্চল (Brussels region)।

**৪ নং অনুচ্ছেদ ঃ** বেলজিয়ামৰ চাৰিটা ভাষিক অঞ্চল আছে ঃ ফৰাচী ভাষা কোৱা অঞ্চল, ডাচ্চ ভাষা কোৱা অঞ্চল, ব্ৰাচেলচ্ ৰাজধানীৰ দ্বিভাষিক অঞ্চল আৰু জাৰ্মান ভাষা কোৱা অঞ্চল। ৰাজ্যখনৰ প্ৰত্যেকখন কম্যুন (Country borough) এনে একোটা ভাষিক অঞ্চলৰ অংশ .....।

**৫ নং অনুচ্ছেদ ঃ** ৱালুন অঞ্চলটো তলত উল্লেখ কৰা প্ৰদেশ কেইখনৰ দ্বাৰা গঠিত ঃ ৱালুন ব্ৰাবান্ট (Walloon Brabant), হাইনল্ট (Hainault), লিয়েজ (Liege), লাক্সেমবাৰ্গ (Luxemburg) আৰু নামুৰ (Namur)। ফ্লেমিছ অঞ্চলটোত থকা প্ৰদেশ কেইখন হৈছে ঃ এন্টৱাৰ্প (Antwerp), ফ্লেমিছ ব্ৰাবান্ট, ৱেষ্ট ফ্লেণ্ডাৰ্চ (West Flenders), ইষ্ট ফ্লেণ্ডাৰ্চ (East Flenders) আৰু লিমবাৰ্গ (Limburg) .....।

৪। কল্পনা কৰা যে, তুমি যুক্তৰাষ্ট্ৰবাদৰ ব্যৱস্থা কিছুমান নতুনকৈ লিখিব লাগিব। তলত উল্লেখ কৰা বিষয়সমূহত তোমাৰ পৰামৰ্শৰে সৈতে ৩০০ শব্দৰ ভিতৰত একোখন ৰচনা লিখা।

(ক) কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত ক্ষমতাৰ বিভাজন

(খ) বিত্তীয় সম্পদৰ বিতৰণ

(গ) আন্তঃৰাজ্যিক বিবাদ মীমাংসাৰ পদ্ধতি আৰু

(ঘ) ৰাজ্যপালৰ নিযুক্তি।

৫। তলত উল্লেখ কৰা কোনটো, ৰাজ্য গঠনৰ ভিত্তি হোৱা উচিত আৰু কিয়?

(ক) উমৈহতীয়া ভাষা

(খ) উমৈহতীয়া অৰ্থনৈতিক স্বাৰ্থ

(গ) উমৈহতীয়া ধৰ্ম

(ঘ) প্ৰশাসনীয় সুচলতা

DAILY ASSAM



৬। উত্তৰ ভাৰতৰ বেছিভাগ ৰাজ্য, যেনে ৰাজস্থান, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ আৰু বিহাৰত হিন্দী ভাষা কোৱা হয়। এই গোটেইকেইখন ৰাজ্য লগ লগাই এখন ৰাজ্য গঠন কৰিলে ই যুক্তৰাষ্ট্ৰীয় ধাৰণাৰ লগত খাপ খাবনে? যুক্তি দৰ্শোৱা।

৭। ৰাজ্য চৰকাৰতকৈ কেন্দ্ৰীয় চৰকাৰক অধিক ক্ষমতা প্ৰদান কৰা ভাৰতীয় সংবিধানৰ চাৰিটা বৈশিষ্ট্য উল্লেখ কৰা।

৮। ৰাজ্যপালৰ ভূমিকাৰ বাবে বহুতো ৰাজ্য অসন্তুষ্ট কিয়?

৯। ৰাজ্য চৰকাৰ এখনে সংবিধান অনুসৰি নচলিলে তাত ৰাষ্ট্ৰপতিৰ শাসন জাৰি কৰিব পাৰি। ৰাজ্য এখনত ৰাষ্ট্ৰপতিৰ শাসন জাৰি কৰিবলৈ তলত উল্লেখ কৰা ঘটনা কেইটা উপযুক্ত অৱস্থা হয়নে? কাৰণ দৰ্শোৱা।

√ ৰাজ্যিক বিধানসভাৰ দুজন বিৰোধী দলৰ সদস্যক অপৰাধীয়ে হত্যা কৰিলে আৰু বিৰোধী পক্ষই সেইবাবে ৰাজ্য চৰকাৰ বৰ্খাস্ত কৰিবলৈ দাবী জনালে।

√ ধনৰ বাবে শিশু অপহৰণৰ ঘটনা বৃদ্ধি পাই আহিছে। মহিলাৰ বিৰুদ্ধে অপৰাধৰ ঘটনাও বাঢ়ি আহিছে।

√ অলপতে হোৱা ৰাজ্যিক বিধানসভাৰ নিৰ্বাচনত কোনো এটা দলে সংখ্যাগৰিষ্ঠতা লাভ কৰা নাই। এটা ৰাজনৈতিক দলক সমৰ্থন জনাবলৈ আন দলৰ বিধানসভাৰ সদস্য কেইজনমানক ধনৰ দ্বাৰা প্ৰলোভিত কৰাৰ আশংকা কৰা হৈছে।

√ কেন্দ্ৰ আৰু ৰাজ্যত পৃথক দলে শাসন কৰি আছে আৰু তেওঁলোক এটা আনটোৰ ঘোৰ বিৰোধী।

√ সাম্প্ৰদায়িক সংঘৰ্ষত ২০০০ তকৈও অধিক লোকক হত্যা কৰা হৈছে।

√ দুখন ৰাজ্যৰ মাজৰ পানীৰ বাবে হোৱা বিবাদত, এখন ৰাজ্য চৰকাৰে উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্ত মানিবলৈ অস্বীকাৰ কৰিছে।

DAILY ASSAM



১০। অধিক স্বায়ত্ত শাসনৰ বাবে ৰাজ্যবোৰে কি কি দাবী জনাইছে?

১১। কিছুমান ৰাজ্য বিশেষ ব্যৱস্থাৰ দ্বাৰা শাসন কৰা উচিতনে? ই আন ৰাজ্যৰ মাজত অসন্তুষ্টিৰ সৃষ্টি কৰিব পাৰে নেকি? ই ৰাষ্ট্ৰখনৰ বিভিন্ন অঞ্চলৰ মাজত অধিক ঐক্য সাধন কৰাত সহায় কৰিব নেকি?